**বিদ্যালয়ৰ নেতৃত্ব: বিদ্যালয়খনৰ বিষয়ে জ্ঞাত থকা**

| অসমীয়া |
| --- |
| বিদ্যালয়খনৰ জ্ঞানৰ যাত্ৰা এজন বিদ্যালয় পৰিচালকৰ বাবে খুবেই গুৰুত্বপূৰ্ণ। কাৰণ এই কাম কৰি আমি শ্ৰেণীকোঠাত কি হৈ আছে তাক জানিব পাৰো।<br>আমি পৰ্যবেক্ষণ কৰিব পাৰো শিক্ষণ আৰু শিকন পদ্ধতি আৰু চাব পাৰো শিশুসকলৰ বুজিব পৰা ক্ষমতা প্ৰয়োজনীয় মানদণ্ডৰ হয়নে নহয়। আজিৰ এই জ্ঞানযাত্ৰাত আমি দেখিলো যে কিছুমান ধাৰণা আছে যিবোৰ শিশুসকলে বুজিবলৈ সমৰ্থ নহয়। গতিকে শিক্ষকসকলে সেইবিলাক বুজিব পৰা কৰি তুলিবলৈ বাৰম্বাৰ চেষ্টা কৰিব লাগে।<br>আজি, প্ৰথমবাৰৰ বাবে তেওঁলোকে পঢ়িছিল, যিটো শিক্ষকে ব্যাখ্যা কৰি স্পষ্ট কৰি দিছিল। ইয়াৰ পাছত শিক্ষকজনে কি কৰিব সেই বিষয়ে মই আলোচনা কৰিছিলো।<br>এই যাত্ৰা আৰু আলোচনাৰ মাধ্যমেৰে স্কুলত কি হয় সেই কথা আমি জানিব পাৰো। ইয়াত শিশুসকলেই আমাৰ মূল কেন্দ্ৰবিন্দু।<br>সাধাৰণতে, মই শ্ৰেণীকোঠাটো বাহিৰৰ পৰা চাওঁ। শিক্ষকে কি কৰি আছে সেই কথা এজন লোকে বাহিৰৰ পৰাও ক'ব পাৰে, কিন্তু মই শ্ৰেণীকোঠাৰ ভিতৰলৈ যাওঁ।<br>মই এই বিদ্যালয়ত জুলাই মাহতে যোগ দিছিলো আৰু তেতিয়াৰে পৰা এই জ্ঞান যাত্ৰা কৰি আছো।<br>মই শ্ৰেণীকোঠাসমূহৰ ভিতৰলৈ যাওঁ, কিন্তু শিক্ষকসকলৰ সৈতে পাছতহে ভাব বিনিময় কৰো। প্ৰথমেই চাওঁ কেনেকৈ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়া চলি আছে। মই মোৰ মন্তব্যসমূহ সেইসময়ত শিক্ষকসকলক নজনাওঁ। মই এই কাম পাছত কৰো।<br>মই কৰা কাম এইখিনিয়েই। মই সদায়েই এটা জ্ঞান যাত্ৰা কৰো।যদিহে শিশুসকলৰ কিবা সমস্যা থাকে, তেন্তে আমি সেই বিষয়তো ভালদৰেই মনোনিৱেশ কৰো। এই যাত্ৰাত আমি জানিব পাৰো কোনো শিশু অসুস্থ নেকি বা অন্য কিবা সমস্যা আছে নেকি। সাধাৰণতে, গ্ৰামাঞ্চলত শিশুসকলৰ সমস্যা কিছু সুকীয়া হয়, গতিকে আমি সেইবিলাক ব্যক্তিগতভাৱে নিষ্পত্তি কৰিব লাগিব।<br>এই জ্ঞান যাত্ৰাত শিশুসকলক প্ৰভাৱিত কৰা কাৰকসমূহ দেখা পোৱা যায়। শিক্ষণ আৰু শিকন দুয়োটা প্ৰক্ৰিয়া একে সময়তে আমি মনোযোগ দিব পাৰো। বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বাবে এই জ্ঞান যাত্ৰা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ত কি ঘটি আছে এই কথা জানিবলৈ ই অতি সহায়ক হৈ পৰে।<br>আমি জানিব পাৰো যেনেকৈয়ে নহওঁক শিক্ষকসকলে যুগুতাই লোৱা আঁচনিখন সঠিকভাৱে ৰূপায়ণ হৈছেনে নাই। ইয়াৰ জৰিয়তে আমি পৰিদৰ্শন কৰিব পাৰো। শিক্ষণ আৰু শিকন প্ৰক্ৰিয়া বা নিৰীক্ষণ কৰিব পাৰো শিশুসকলৰ উপস্থিতি। সম্পূৰ্ণ বিদ্যালয়খন নিৰীক্ষণ কৰি আমি ইয়াৰ পাৰিপাৰ্শ্বিকতাৰো বুজ ল'ব পাৰো।<br>আমি কেৱল শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াকে নিৰীক্ষণ নকৰো, আমি লগতে নিৰীক্ষণ কৰো প্ৰশাসনিক দিশসমূহ আৰু বিদ্যালয়খনৰ পৰিষ্কাৰ পৰিচ্ছন্নতা।<br>আমি যুগুতাই লোৱা সকলোবোৰ কাৰক, যিবোৰ আমাৰ বিদ্যালয়ৰ ক্ৰিয়াকলাপৰ লগত জড়িত, সেই সকলোবোৰৰ বিষয় ইয়াত সামৰি লোৱা হয়। জ্ঞান যাত্ৰাবোৰ অতি গুৰুত্বপূৰ্ণ। |